জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৮২/২০২৩

**‘ডিজিটাইজিং অসম’ পদক্ষেপৰ অধীনত ৰাজ্যৰ বৌদ্ধিক ক্ষেত্ৰখন সমৃদ্ধ কৰা গ্ৰন্থ-আলোচনীসমূহ সংৰক্ষণৰ বাবে প্ৰস্তুত কৰা ৱেবছাইট উন্মোচন মুখ্যমন্ত্ৰীৰ**

# ডিজিটেল মাধ্যমত অসমীয়া সাহিত্য সম্ভাৰৰ উপলব্ধতাই ভৱিষ্যৎ প্ৰজন্মক অসমৰ বৌদ্ধিক জগতখনৰ চহকী ঐতিহ্যৰ সৈতে পৰিচিত কৰাব ঃ মুখ্যমন্ত্ৰী

## ‘ডিজিটাইজিং অসম’ প্ৰকল্পলৈ ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহযোগিতা আগবঢ়াব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ মে’** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত আয়োজিত এক অনুষ্ঠানত নন্দ তালুকদাৰ ফাউণ্ডেচনৰ ‘ডিজিটাইজিং অসম’ পদক্ষেপৰ অধীনত ৰাজ্যৰ বৌদ্ধিক ক্ষেত্ৰখন সমৃদ্ধ কৰা গ্ৰন্থ-আলোচনীসমূহ সংৰক্ষণৰ বাবে প্ৰস্তুত কৰা www.assamarchive.org শীৰ্ষক ৱেবছাইটটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

উল্লেখ্য যে, অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসে সহযোগিতা আগবঢ়োৱা ‘ডিজিটাইজিং অসম’ প্ৰকল্পটোৰ অধীনত ১৮১৩ চনৰ পৰা ১৯৭০ চনৰ ভিতৰৰ সকলো বিৰল অসমীয়া কিতাপ-আলোচনীক ডিজিটাইজ কৰি ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰি এই ৱেবছাইটৰ জৰিয়তে পৃথিৱীৰ প্ৰতিটো অংশৰ পৰা সহজে উপলব্ধ কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰে প্ৰথম অংশ হিচাপে ১৮৪০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰৰ সময়ছোৱা সামৰি ১৬১ খন আলোচনীৰ ৩০৭১ টা সংখ্যাৰ ২,৪৫,৬৮০ পৃষ্ঠা ডিজিটাইজ কৰি ৱেবছাইটৰ অন্তৰ্ভূক্ত কৰা হৈছে। এই প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ত ১৮১৩ চনৰ পৰা ১৯৬২ চনলৈকে প্ৰকাশিত গ্ৰন্থসমূহ সামৰি লোৱা হ’ব।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো অসমৰ ইতিহাসৰ বাবে, বিশেষকৈ ভাষা-সাহিত্যৰ ক্ষেত্ৰখনৰ বাবে এক অন্যতম গুৰুত্বপূৰ্ণ দিন বুলি অভিহিত কৰে। তেওঁ কয় যে অসমীয়া ভাষা-সাহিত্যক ডিজিটেলি উপলব্ধ কৰাৰ বাবে লোৱা এই পদক্ষেপে অসমীয়া সাহিত্য সম্ভাৰক সংৰক্ষিত কৰাই নহয়, জনসাধাৰণৰ বাবে এই সাহিত্যৰাজি সহজে উপলব্ধ কৰি অধ্যয়নৰ সুযোগ দিব। তদুপৰি ডিজিটেল মাধ্যমত অসমীয়া সাহিত্য সম্ভাৰৰ উপলব্ধতাই ভৱিষ্যৎ প্ৰজন্মক অসমৰ বৌদ্ধিক জগতখনৰ চহকী ঐতিহ্যৰ সৈতে পৰিচিত কৰাব। ইয়াৰ বাবে নন্দ তালুকদাৰ ফাউণ্ডেচনৰ সচিব তথা বিশিষ্ট সাংবাদিক মৃণাল তালুকদাৰে বিগত দুটা দশক ধৰি লোৱা এই উদ্যোগৰ তেওঁ শলাগ লয়। তেওঁ

কয় যে সুদীৰ্ঘ সময় ধৰি বিশিষ্ট সাংবাদিক মৃণাল তালুকদাৰে অসমীয়া সংবাদ ক্ষেত্ৰলৈ যথেষ্ট বৰঙণি যোগাই আহিছে। সমসাময়িক অসমৰ সমস্যাৰাজি নিৰ্মোহ বিশ্লেষণৰ জৰিয়তে অসমৰ সংবাদ জগতত তেওঁৰ এক বিশেষ স্থান অধিকাৰ কৰিছে। ডিজিটেল অসমৰ এই পদক্ষেপ তেওঁৰ সমাজ সচেতন মানসিকতাৰ উৎকৃষ্ট পৰিচায়ক। এই পদক্ষেপে অসমৰ জাতীয় জীৱনত তেওঁৰ ভূমিকাক এক নতুন আয়তন প্ৰদান কৰিলে। উল্লেখ্য যে নৱ গোস্বামী ফাউণ্ডেশ্যনেও এই প্ৰকল্প বাস্তৱায়িত কৰাত সহযোগিতা আগবঢ়াইছে।

ঊনবিংশ শতিকা অসমীয়া ভাষা-সাহিত্য আৰু সংবাদ ক্ষেত্ৰৰ নৱজাগৰণৰ সময় আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কলকাতাত অধ্যয়ন কৰিবলৈ যোৱা অসমৰ ছাত্ৰসকলে বঙালী সাহিত্যৰ বিকাশ তথা বঙালী সাহিত্যত পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ দেখা পাইছিল। লক্ষ্মীনাথ বেজবৰুৱাকে প্ৰমুখ্যে কৰি একাংশ অসমীয়া ছাত্ৰই সাহিত্য আৰু সংবাদ জগতত নৱজাগৰণৰ সূচনা কৰাৰ বাবে নিজকে আত্মনিয়োগ কৰিছে। তেওঁ কয় যে কলকাতাত ৰোমাণ্টিক কাব্য দৰ্শনৰ ত্ৰিমূৰ্তি লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ মিলনে অসমীয়া সাহিত্য জগতলৈ সৌভাগ্যৰ পটভূমি ৰচনা কৰিছিল কিয়নো তেওঁলোকৰ প্ৰচেষ্টাত প্ৰতিষ্ঠিত হৈছিল অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা আৰু আৰম্ভ হৈছিল ‘জোনাকী’ আলোচনীৰ, যিখন আলোচনীয়ে কাব্য, গল্প, উপন্যাস, প্ৰবন্ধ, কবিতাৰে অসমৰ সাহিত্যৰ ক্ষেত্ৰখনলৈ নৱজাগৰণ কঢ়িয়াই আনিছিল।

একবিংশ শতিকাক ডিজিটেল যুগ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিৰল অসমীয়া গ্ৰন্থ আৰু আলোচনীসমূহ ডিজিটাইজ কৰা এই উদ্যোগে অসমীয়া সাহিত্য জগতক বহুদূৰ আগুৱাই লৈ যাব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে যিসকল ব্যক্তিৰ হাতত বিৰল গ্ৰন্থসমূহ আছে তেনে গ্ৰন্থ ডিজিটেলাইজ কৰি এই প্ৰকল্পলৈ প্ৰেৰণ কৰি অসমীয়া সাহিত্যৰ সংৰক্ষণত বৰঙণি যোগাবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে অসমৰ জাতীয় জীৱনত সংবৰ্দ্ধন আৰু সংৰক্ষণৰ প্ৰচেষ্টালৈ ৰাজ্য চৰকাৰে আদৰণি জনাই আহিছে আৰু ডিজিটাইজিং অসম প্ৰকল্পলৈ আৰ্থিক দিশকে ধৰি বিভিন্ন সহযোগিতা আগবঢ়োৱা হ’ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ডিজিটাইজেশ্যন ব্যৱস্থাৰ দ্বাৰা মিছন সম্ভাৱনা আদিৰ জৰিয়তে ৰাজ্য চৰকাৰে ৰাজহুৱা সেৱাসমূহ অধিক জনমুখী কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে। অহা পহিলা জুনৰ পৰা জিলা উপায়ুক্তৰ কাৰ্যালয় আৰু সঞ্চালকালয়সমূহৰ কাম-কাজ ডিজিটেল মাধ্যমেৰে কৰা হ’ব বুলিও তেওঁ ভাষণত সদৰি কৰে।

অনুষ্ঠানত অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ সভাপতি ড° দিলীপ দত্ত চৌধুৰী আৰু ন্যাসৰ সচিব ডাঃ নাৰায়ণ শৰ্মাকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**অঃহা / নিঃকুঃদাঃ**
**১১/৫/২০২৩**